ৰুণুমীৰ ফোন আহিব আহিব বুলি বাট চাই থাকোঁতেই দহ-বাৰ দিনমান পাৰ হ'ল। দেওবাৰে তাই ফোন নকৰাত মই হতাশ হ'লোঁ। উচপিচনি বাঢ়িল, কিন্তু সময়-সুবিধা অনুসৰি তাই নিজেই কৰক বুলি মই ফোন নকৰিলোঁ। শেষত এদিন সন্ধিয়া অসময়ত হ'লেও তাইৰ ফোনটো অহাত মনটো ভাল লাগি গ'ল। পিছে মই ভবা মতে কথাবোৰ আগ নাবাঢ়িল। 'ককা', 'ককা' বুলি তিনি-চাৰিবাৰমান সম্বোধন কৰি ৰুণুমীয়ে উচুপি উচুপি কান্দিলে। 'কি হ'ল, কি হ'ল' বুলি বাৰে বাৰে সুধিও মই একো আগগুৰি নাপালোঁ। উচুপনি বাঢ়িল। নিৰুপায় হৈ শেষত মই ফোনটো মাকক দিবলৈ কোৱাত তাই ফোনটো তেওঁক দিলে; কিন্তু লাভ একো নহ'ল। থোকাথুকি মাতেৰে "মইনো কি ক'ম? তায়েই পাছত ক'ব" বুলি কৈ মানুহজনীয়ে ফোনটো খৰধৰকৈ কাটি দিলে।

ৰুণুমী আৰু মাকৰ ব্যৱহাৰে আমাক চিন্তিত কৰিলে। মামণিয়ে ক'ৰবাত কেণা লাগিল বুলি ক'লে। কিন্তু ক'ত লাগিল, সেই কথা ভাবি ছটফটাই থাকিলোঁ। তিনি দিনমান একেবোৰ কথাকে আলচি থকাৰ শেহত দেওবাৰে পুৱা তাইৰ ফোন আহিল। থোকাথুকি মাতেৰে তাই ক'লে—"ককা! ইয়াৰ পাছত মোৰ আৰু পঢ়া নহ'ব। তোমাৰ প্ৰস্তাৱটো দেউতাই মানি নলয়।" কথাষাৰ শুনি মোৰ মুখৰ মাত হেৰাল। কোনোমতে নিজকে সামৰি সুধিলোঁ—"কিন্তু কিয়?" উচুপি উচুপি তাই ক'লে—"আমি নাজানো। দেউতাৰ খং উঠিলে মুখত যি আহে তাকে কয়। সিদিনা মায়ে কথাটো কৈছিলহে। দেউতা তেনেই জাঙুৰ খাই উঠিল। পগলাৰ দৰে হ'ল। দপদপাই ক'লে—'কথা নাই, বতৰা নাই, নজনা-নুশুনা ক'ৰবাৰ মানুহ এটাই খা-খৰচ দিব বুলিলেই আমি ছোৱালীক পঠুৱামনে? আমি দুখীয়া হ'লোঁ বাবেই লাজ-চৰম নাইকিয়া হ'ল নেকি?" মাকে মুখ পাতি ধৰাত দেউতাকে বোলে হাতৰ দাখনকে ঘৈণীয়েকৰ গালে দলিয়াই দিছিল। "পইচা গছত লাগিছে নেকি যে কোনোবাই বিনা মতলবে তোৰ জীয়েৰক ধোঁৱাচাঙত তুলিব।' লগতে আৰু বহুত বেয়া বেয়া কথা কৈছে ককা, মই সেইবোৰ তোমাক ক'ব নোৱাৰোঁ।"

শ্ৰীমতীয়ে মোক পুৰণা কথা পাহৰি নিজৰ কামত আগবাঢ়িবলৈ পৰামৰ্শ দিলে। কিন্তু পাহৰি যোৱা বুলিলেই জানো পাহৰিব পাৰি? সেয়েহে পাছৰ দেওবাৰে পুৱা ৰুণুমীৰ মাকৰ লগত কথা পাতি দেউতাকৰ লগত মোক কথা পতাই দিবলৈ অনুৰোধ কৰিলোঁ। মোৰ কথা শুনি মাক-জীয়েক দুয়োজনী ভয়তে কঁপিবলৈ ধৰিলে। "ইস ৰাম!" মাকে ক'লে—"তেনে কথা নাভাবিবই। আপোনাকো গালি-শপনি পাৰি অপমান কৰিব; আমাকো কাটিব।" পুনৰ সেই কথা ক'লে দুয়োজনীকে দুছেওকৈ কাটি নিজে ৰঙাঘৰলৈ যাব বুলি মানুহটোৱে হেনো মাক-জীয়েকক সকীয়নি দি থৈছে। গুৱাহাটীৰ সম্পৰ্কীয় মোমায়েকে দেউতাকক বুজাব নোৱাৰিবনে বুলি সোধাত ৰুণুমীয়ে ক'লে যে মাকৰ সম্পৰ্কীয় মানুহ বুলিলে এনেয়ে বাপেকে হুঁচ হেৰুৱায় আৰু সেয়েহে তেওঁলোকে মানুহজনৰ লগত কথা পাতিবলৈ ভয় কৰে। আজি ৰুণুমীয়ে কিছুমান নতুন কথা ক'লে। গাঁৱত হেনো সিহঁতৰ সম্পৰ্কীয় বৰদেউতাক এজন থাকে। মানুহজন শিক্ষিত; অৱসৰপ্ৰাপ্ত হেডমাষ্টৰ। তেওঁক ক'লে কিবা লাভ হ'ব বুলি ভাবি কথাটো কোৱাত ফল তেনেই ওলোটাহে হ'ল। "অচিন কাঠৰ থোৰা লগাবিনে?" বুলি তেওঁ হেনো মাক-জীয়েকক এজাউৰি দিলে। ৰুণুমীয়ে দুই-এষাৰ কোৱা শুনি মানুহজনে সিহঁতক ডবিয়ালে। "দেখিছ কলেজ পাছ নকৰোঁতেই তোৰ জীয়েৰে আমাক পেংলাই কৰিব পৰা হ'ল এতিয়া লোকৰ পইচাৰে এম এছছি পঢ়িলে তাই দেখোন গুৰু-গোসাঁই একোকে নমনা হ'ব।" ৰুণুমীৰ মাকৰ মতে, তেওঁৰ হেনো দুয়োটা পুতেক উদণ্ড, মেট্ৰিকৰ ডেওনাখনকে পাৰ হ'ব নোৱাৰি এতিয়া সিহঁতে মদ-ভাং খাই টলৌ টলৌকৈ ঘূৰি ফুৰে। সেয়েহে আমাৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰিলে তেওঁৰ চকু পোৰে। ইয়াৰ লগতে মানুহজনীয়ে মোক এই কথাও ক'লে যে গাঁৱৰ দুই-চাৰিয়ে কথাটো গম পাই এতিয়া সিহঁতক ঠাট্টা-মস্কৰা কৰিবলৈ আৰম্ভ কৰিছে। সিদিনা হেনো এজন চুবুৰীয়াই ৰুণুমীক ৰাস্তাতে লগ পাই সুধিছে—"তোক হেনো কোনোবাই বিলাতত পঢ়িবলৈ পঠাব। আমাকো এজন তেনেকুৱা মানুহ ঠিক কৰি দেচোন।" মানুহজনীয়ে এনেবোৰ কথাকে অনৰ্গল কৈ থকাত ৰুণুমীয়ে মাকক ডবিয়াই ফোনটো হাতৰপৰা কাঢ়ি ল'লে।

ফোনটো থৈ ভাবি ভাবি ৰুণুমীৰ দেউতাকৰ মনটো বুজিবলৈ চেষ্টা কৰিলোঁ। মানুহজনৰ পঢ়াশুনাৰ প্ৰতি যে কোনো সদ্ভাব নাই, সেই কথাত সন্দেহ নাথাকিল। হয়তো অভিজ্ঞতাই তেওঁক শিকাইছে যে পঢ়াশুনা কৰিলে মানুহ অহংকাৰী হয়, দুখীয়া-নিছলা মানুহক মানুহ বুলি নাভাবে। তেওঁ এই কথাও জানে যে পইচা থকা মানুহে কাহানিও তেওঁক সা-সহায় কৰা নাই। সকলোৱে তেওঁৰ প্ৰাপ্য দিন-হাজিৰাটোৰপৰা কুৰি টকা কমাবলৈ চেষ্টা কৰে। ধনী মানুহে তেওঁলোকৰ দৰে মানুহৰ দুখ নুবুজে। চিৰা দুমুঠি আৰু ফিকা চাহ অকণমান খাবলৈ দি দিনটো কাম কৰিবলৈ বাধ্য কৰে। ভঁৰালত ধান ঠাহ খাই থাকে, অথচ দাইল-ভাত দুটামান খুৱাব বুলিলে কেটকেটায়। কেতিয়াবা অসুখ-বিসুখ বুলি পইচা দুটামান ধাৰলৈ খুজিলে গাত লগাকৈ দুআষাৰ কয়। সেয়েহে কোনোবা অচিনাকি লোকে সা-সহায়ৰ নাম লৈ পৰিয়ালটোৰ লগতে ছোৱালীজনীৰ কিবা হানি কৰে বুলি তেওঁ হয়তো ভয় কৰে। হয়তো পৰৰ সহায় লৈ পঢ়িলে গাঁৱৰ মানুহে বু বু-বা বা কৰিব বুলিও তেওঁৰ ভয় হয়। সেয়েহে কোনোবাই তেওঁলোকক পুতৌ কৰিছে বুলি ভাবি স্বাভিমানী মানুহজনৰ খং উঠিছে। সাতে-পাঁচে ভাবি কথাবোৰ মানুহজনৰ দৃষ্টিৰে চালে তেওঁৰ বিচাৰ ধাৰা তেনেই দলিয়াই দিব পৰা বিধৰ নহয় যদিও, মানুহজনে মোৰ লগত দুআষাৰ কথা পাতি সিদ্ধান্তটো লোৱা হ'লে ছোৱালীজনীৰ উপকাৰ হ'লহেঁতেন। কিন্তু নিৰক্ষৰ হোজা মানুহ এজনৰপৰা ইমানখিনি দূৰদৰ্শিতা আশা কৰা নাযায়। ৰুণুমীয়ে কোৱা মতে, তাইৰ দেউতাক মানুহজন গোঁৱাৰ স্বভাৱৰ; কাৰো কথা তেওঁ নুশুনে, কাকো একো এটা নোসোধে। নিজে যি ভাবে তাকে কৰে। সঁচা কথা ক'বলৈ হ'লে মোৰো এটা ভুল হ'ল। বেছি খৰখেদা কৰিলোঁ। কথাটো ৰুণুমী আৰু মাকক জনোৱাতকৈ, বাতৰিকাকতত বিজ্ঞাপন এখন উলিয়াই দি তাইক আবেদন কৰিবলৈ কোৱা হ'লে মোৰ উদ্দেশ্য অধিক ফলপ্ৰসূ হ'লহেঁতেন, মনতে মই ভাবিলোঁ।



আহিব আহিব বুলি ভাবি থাকোঁতেই দেওবাৰে ৰাতিপুৱা ৰুণুমীৰ ফোন আহিল। "ককা ভালনে? কি কৰিছা?" বৰ সহজভাৱে আগৰ দৰেই তাই চিঞৰ মাৰিলে। তাইৰ মাতটো শুনি আজি মোৰ এনে হেন লাগিল যেন পুৰণা কথা পাহৰি এতিয়া তাই বাস্তৱক মানি ল'বলৈ মন বান্ধিছে। দৰিদ্ৰ লোকে কিবা এটা নাপালে ধনী মানুহৰ দৰে আক্ষেপ কৰি নাথাকে। সেয়েহে মই তাইৰ দৰে সহজ হ'ব